**63/1 (SEM–5) DSE1A/ASMRE5016**

# 2024

# ASSAMESE

Paper : ASMRE5016

***( Study on General Linguistics)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটি লিখা *(যিকোনো ছয়টা)* ঃ ১×৬=৬

(ক) 'Lingua' শব্দটোৰ অৰ্থ কি?

*(i)* ধ্বনি

*(ii)* শব্দ

*(iii)* বাক্য

*(iv)* মাত-কথা

Contd.

(খ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(i) বহল ব্যাকৰণ

(ii) অষ্টাধ্যায়ী

(iii) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

(iv) ব্যাকৰণ প্ৰৱেশ

(গ) *Assamese : its Formation and Development* গ্ৰন্থখনৰ লেখক কোন?

(i) ড° বাণীকান্ত কাকতি

(ii) ড° গোলক গোস্বামী

(iii) হকেট

(iv) ড° উপেন্দ্ৰ নাম গোস্বামী

(ঘ) আধুনিক ভাষা বিজ্ঞানৰ পিতৃপুৰুষ কোন?

(i) নোৱম চমস্কি

(ii) চছ্যুৰ

(iii) ব্লুমফিল্ড

(iv) ছাপিৰ



(ঙ) অৱস্থান অনুসৰি সৰ্গ বোৰক কেইটা ভাগত ভগাব পাৰি?

(i) দুটা

(ii) তিনিটা

(iii) চাৰিটা

(iv) পাঁচটা

(চ) শব্দৰ অৰ্থৰ বিষয়ে অধ্যয়নক কি নামেৰে জনা যায়?

(i) ধ্বনিতত্ত্ব

(ii) বাক্যতত্ত্ব

(iii) ৰূপতত্ত্ব

(iv) শব্দাৰ্থতত্ত্ব

(ছ) ডঃ ঝমেনহফে পৃথিৱীৰ মানৱজাতিৰ ব্যৱহাৰৰ উপযোগীকৈ উদ্ভৱ কৰা কৃত্ৰিম ভাষাটোৰ নামে কি আছিল?

(i) নাগামিজ

(ii) এস্পিৰেন্টো

(iii) হিন্দুস্থানী

(iv) ক্ৰেওল

(জ) ভাষাৰ ক্ষুদ্ৰতম আৰু প্ৰাথমিক উপাদানৰ নাম কি?

*(i)* ধ্বনি

*(ii)* ৰূপ

*(iii)* বাক্য

*(iv)* বচন

(ঝ) বৰ্ণ বা বিশিষ্ট ধ্বনি কি?

*(i)* ধ্বনিসমূহৰ গোট বিশেষ

*(ii)* অৰ্ধস্বৰ

*(iii)* বিভাজ্য ধ্বনি

*(iv)* অযোগৱাহ তত্ত্ব

(ঞ) শব্দৰ অৰ্থ পৰিবৰ্তনৰ ধাৰা কেইটা ?

*(i)* দুটা

*(ii)* পাঁচটা

*(iii)* তিনিটা

*(iv)* ছয়টা



২। চমুকৈ উত্তৰ লিখা *(যিকোনো পাঁচটা)* ঃ ২×৫=১০

(ক) বদ্ধপ্ৰাকৃতি কাক বোলে?

(খ) ধ্বনিৰ ক্ষেত্ৰত যাদৃচ্ছিকতা বুলিলে কি বুজা?

(গ) ধ্বনিবিজ্ঞান কেইপ্ৰকাৰৰ আৰু কি কি?

(ঘ) অসমীয়া বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি?

(ঙ) ভাষাৰ এটি উৎকৃষ্ট সংজ্ঞা লিখা।

(চ) বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) প্ৰকৃতি আৰু সৰ্গৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(জ) অৰ্থ বিস্তাৰৰ দুটা উদাহৰণ দিয়া।

৩। তলত *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা ঃ ৫×৬=৩০

(ক) ভাষা কাক বোলে? সংজ্ঞা লিখি বৈশিষ্ট্যকেইটামান আলোচনা কৰা।

(খ) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ পাৰ্থক্য লিখা।

(গ) তুলনামূলক ভাষাবিজ্ঞান আৰু বিৰোধমূলক ভাষা-বিজ্ঞানৰ পাৰ্থক্য লিখা।

(ঘ) ৰূপান্তৰ সৃজন উৎপাদক ব্যাকৰণ ধাৰাৰ প্ৰৱৰ্ত্তক কোন? এই ব্যাকৰণ ধাৰাৰ বৈশিষ্ট্য কেইটামান লিখা।

(ঙ) স্পৰ্শধ্বনি বুলিলে কি বুজায়? অসমীয়া ভাষাত কেই প্ৰকাৰৰ স্পৰ্শধ্বনি আছে?

(চ) পিজিন কাক বোলে? পিজিনৰ কেইটামান বৈশিষ্ট্য লিখা।

(ছ) অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় হয় নে ন হয় আলোচনা কৰা।

(জ) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ বিষয়ে টোকা লিখা?

(ঝ) প্ৰাকৃতি কাক বোলে? মুক্ত প্ৰাকৃতি আৰু ৰদ্ধ প্ৰাকৃতি বুলিলে কি বুজা উদাহৰণসহ লিখা।

৪। উত্তৰ লিখা *(যিকোনো দুটা)* ঃ ১০×২=২০

(ক) ভাষাবিজ্ঞান কি? ভাষা বিজ্ঞানক বিজ্ঞান আখ্যা দিয়াৰ কাৰণসমূহ ফঁহিয়াই আলোচনা কৰা।

(খ) ঐতিহাসিক ভাষাবিজ্ঞান ভাষাৰ লিখিত ৰূপৰ সৈতে সম্পৰ্কিত; আনহাতে বৰ্ণনাত্মক ভাষাবিজ্ঞান ভাষাৰ কথিত প্ৰবাহৰ সৈতে জড়িত। কথাষাৰ বহলাই আলোচনা কৰা।



(গ) উপভাষাৰ ভৌগোলিক সীমা নিৰ্দ্ধাৰণ সম্পৰ্কে আলোচনা কৰা।

(ঘ) গাঠনিক দিশৰ পৰা বাক্যক কেই ভাগত ভগাব পাৰি? প্ৰত্যেকটো বিভাগৰে উদাহৰণৰ সৈতে আলোচনা কৰা।

৫। *যিকোনো এটা প্ৰশ্নৰ* উত্তৰ লিখা ঃ ১৪

(ক) অৰ্থ পৰিৱৰ্তনৰ বিবিধ ধাৰাসমূহ আলোচনা কৰা।

(খ) ঐতিহাসিক ভাষাবিজ্ঞান কাক বোলে? ঐতিহাসিক ভাষা-বিজ্ঞানব বিভিন্ন দিশসমূহ আলোচনা কৰা।

(গ) উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ কাৰণসমূহ ফঁহিয়াই আলোচনা কৰা।

———